# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 19-06-2025 **Time :** 1715 Hrs.

## Assamese Evening Bulletin

ৰাজ্যত অহা ১০ অক্টোবৰৰ ভিতৰত পুনৰ ৪০ হাজাৰ যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰা হ'ব বুলি আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত কেইবাটাও বিভাগত ৪৮১ গৰাকী ব্যক্তিক নিযুক্তি পত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে এইদৰে কয়। উল্লেখযোগ্য যে এই অনুষ্ঠানত পশু পালন আৰু পশু চিকিৎসা বিভাগত ৪৪৩ গৰাকী পশু চিকিৎসা ক্ষেত্ৰ সহায়ক, পৰ্যটন বিভাগত ১২ গৰাকী পৰ্যটন উন্নয়ন বিষয়া আৰু শিক্ষা বিভাগত ২৩ গৰাকী জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰৱক্তা তথা ৩ গৰাকী ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। এই নিযুক্তি স্বচ্ছ, মেধা আৰু যোগ্যতা ভিত্তিত সম্পন্ন হৈছে বুলি তেওঁ ভাষণ প্ৰসঙ্গত কয়। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে কালি পৰ্যন্ত বিভিন্ন বিভাগত এক লাখ ২০ হাজাৰ ৩৫৯ গৰাকী ব্যক্তিক নিযুক্তি পত্ৰ প্ৰদান কৰিছে। ভাষণত ড০ শৰ্মাই কুকুৰা পালন খণ্ডৰ ক্ষেত্ৰত হোৱা উত্তৰণৰ কথা উল্লেখ কৰি বাহুবলী কণীৰ উৎপাদনৰ ক্ষেত্ৰত লাভ কৰা সফলতাক বিশেষভাৱে প্ৰশংসা কৰে। ৰাজ্যৰ গাহৰি পালন খণ্ডৰ সম্ভাৱনাসমূহৰ বিষয়ে উল্লেখ কৰি তেওঁ গাহৰি পালকসকলৰ ঐক্যবদ্ধ প্ৰচেষ্টাই এই দিশত ৰাজ্যখনৰ চাহিদা বৃদ্ধিত সহায় কৰিব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যত শ্বেত বিপ্লৱৰ সূচনা কৰি প্ৰতি দিনে ১০ লাখ লিটাৰ গাখীৰ উৎপাদনৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি তেওঁ ভাষণত কয়।

এই অনুষ্ঠানত পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল উপস্থিত থাকে।

০০০০০০

ৰাজ্যিক বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াই আজি অটল বিহাৰী বাজপেয়ী ভৱনত আয়োজিত এখন সংবাদমেলযোগে ৰাজ্যিক সমিতিৰ নতুন বিষয়ববীয়াসকলৰ নাম ঘোষণা কৰিছে। তেওঁ দলটোৰ ১০গৰাকী উপ-সভাপতি, চাৰিগৰাকী সাধাৰণ সম্পাদক, ১০গৰাকী সম্পাদক, কোষাধ্যক্ষ আৰু কাৰ্যালয় সম্পাদকৰ লগতে ছ'চিয়েল মিডিয়া তত্বাৱধায়কৰ নাম ঘোষণা কৰে। মুখ্য মুখপাত্ৰ, মিডিয়া আহ্বায়ক আৰু কাৰ্যালয় তত্বাৱধায়কৰ নামো সংবাদ মেলত ঘোষণা কৰা হয়। অহা ১০ দিনৰ ভিতৰত দলৰ আঠটা মৰ্চাৰ সভাপতিসকলৰ নামো ঘোষণা কৰা হ'ব বুলি শ্ৰীশইকীয়াই জানিবলৈ দিছে। ইপিনে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত নৱনিৰ্বাচিত বিষয়াসকলক অভিনন্দন জনায়।

০০০০০০

ৰাজ্য চৰকাৰে কাইলৈ বিষ্ণুৰাভা দিৱসৰ সৈতে সংগতি ৰাখি কেইবাগৰাকীও খ্যাতিমান ব্যক্তিক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান কৰিব। কাইলৈ নলবাৰীত হ'বলগীয়া বিষ্ণুৰাভা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হ'ব। এই অনুসৰি ৩টা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট সংস্কৃত পণ্ডিত, গৱেষক, শিক্ষাবিদ ড° থানেশ্বৰ শৰ্মালৈ শ্ৰীশ্ৰীমাধৱদেৱ বঁটা, বিশিষ্ট কবি সাহিত্যিক ধনেশ্বৰ ইংতিলৈ কালীচৰণ ব্ৰহ্ম বঁটা আৰু সিন্দূৰ অভিযানত শ্বহিদ হোৱা মণিপুৰৰ বীৰ জোৱান দীপক চিংখামলৈ বীৰ চিলাৰায়

বঁটা আগবঢ়োৱা হ'ব। একেদৰে চলিত বছৰৰ ৪ টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট চিত্ৰশিল্পী নৰেন্দ্ৰ নাথ দাস আৰু বিশিষ্ট সত্ৰীয়া নৃত্য শিল্পী তথা গৱেষক ড° মল্লিকা কন্দলীলৈ বিষ্ণু ৰাভা বঁটা আগবঢ়োৱা হ'ব। সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক সোনাৰাম শৰ্মা বুঢ়াভকতলৈ শোণিতকোঁৱৰ গজেন বৰুৱা বঁটা আৰু বিশিষ্ট শিক্ষাসেৱী তথা সমাজসেৱক যজ্ঞেশ্বৰ চেতিয়ালৈ স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা আগবঢ়োৱা হ'ব।

০০০০০০০

কামৰূপ জিলা প্ৰশাসন আৰু জিলা সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আজি জিলাখনৰ ৩ হাজাৰৰো অধিক অংগনবাড়ী কৰ্মীক স্মাৰ্ট ফোন বিতৰণ কৰা হয়। আমিনগাঁৱৰ বায়োটেক পাৰ্কত অনুষ্ঠিত এই কাৰ্যসূচীত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মুখ্য অতিথি হিচাপে অংশ লয়। স্মাৰ্ট ফোনে অংগনবাড়ী কৰ্মীসকলৰ  কাম বহুখিনি সহজ কৰি তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্ট মেচ কাইলৈ লিড্‌ছৰ হেডিংলীত আৰম্ভ হ'ব। পূৰ্বে পাটাউদী ট্ৰফী নামে জনাজাত এই টেষ্ট শৃংখলা এইবছৰৰ পৰা এণ্ডাৰচন-তেণ্ডুলকাৰ টেষ্ট শৃংখলা নামেৰে পৰিচিত হ'ব। শুভমন গীলৰ নেতৃত্বৰ নতুন ভাৰতীয় দলটোত এইবাৰ বিৰাট কোহলি, ৰোহিত শৰ্মা, ৰবিচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাদেজা আদি কেইবাগৰাকীও অভিজ্ঞ খেলুৱৈ নাথাকিব যদিও প্ৰতিভাবান খেলুৱৈৰে গঠিত ভাৰতীয় দলটোৱে ইংলেণ্ডৰ চলিত বতৰত ভাল খেল প্ৰদৰ্শন কৰিব বুলি আশা কৰা হৈছে। ভাৰতীয় টেষ্ট দলত পূৰ্বে বিৰাট কোহলিৰ চতুৰ্থ স্থানত ভাৰতৰ অধিনায়ক শুভমন গীলে বেটিং কৰাটো নিশ্চিত হৈছে। ভাৰতীয় দলৰ বেটিং বহু পৰিমাণে অভিজ্ঞ কে এল ৰাহুল আৰু উপ-অধিনায়ক ঋষভ পণ্টৰ ওপৰত নিৰ্ভৰ কৰিব। ভাৰতীয় অ'পেনাৰ য়শস্বী জয়ছোৱালেও ইংলেণ্ডৰ বাৰিষাকালৰ সেমেকা জলবায়ুত ভাল বেটিং প্ৰদৰ্শন কৰিব বুলি আশা কৰা হৈছে। ভাৰতীয় দলৰ ৩ নম্বৰ স্থানত খেলিবলগীয়া বেটাৰজন কোন হ'ব, এতিয়ালৈকে সিদ্ধান্ত লোৱা হোৱা নাই। ভাৰতীয় বলিঙৰ দায়িত্ব প্ৰধানকৈ যশপ্ৰীত বুমৰা, হৰ্ষিত ৰাণা, ছাৰ্দুল ঠাকুৰ আৰু অৰ্শদীপ সিঙৰ ওপৰত নিৰ্ভৰ কৰিব। আনহাতে, বেন ষ্টোক্‌ছ নেতৃত্বাধীন ইংলেণ্ড দলটো জেক ক্ৰলি, বিশ্বৰ টেষ্ট ৰেংকিঙৰ ১ নম্বৰ খেলুৱৈ জো ৰুট, বেন ডাকেট, অলি পোপ, ব্ৰাইডন কাৰ্ছ আদি কেইবাগৰাকীও ন-পুৰণি খেলুৱৈৰে পুষ্ট।

০০০০০০০

**সমাপ্ত**